# আমি যীচুৰ আজ্ঞা পালন কৰোঁ

## যীচুৰ আজ্ঞা পালনকাৰী অনুগামী হ'বলৈ ল'ৰা-ছোৱালীক শিকাওক

**প্ৰাৰ্থনাঃ** "হে আমাৰ স্বৰ্গত থকা পিতৃ, এই অধ্যয়নৰ যোগেদি যীচুক প্ৰেম কৰিবলৈ আৰু তেওঁৰ আজ্ঞা পালন কৰিবলৈ ল'ৰা-ছোৱালীবিলাকক সহায় কৰক। যীচুৰ পবিত্ৰ নামত, আমেন।"

ল'ৰা-ছোৱালীৰ বয়স আৰু প্ৰয়োজনত খাপ খুৱাকৈ সিহঁতে শিকিবলগীয়া কাম-কাজবোৰ বাচি লওক।

**কোনো এজন ডাঙৰ ল'ৰা/ছোৱালী অথবা শিক্ষকক মথি ৭ঃ২৪-২৯** পদত লিখা বুদ্ধিমান আৰু নিৰ্ব্বুদ্ধি ঘৰ সজা মানুহৰ গল্পটি পঢ়িবলৈ দিয়ক।

যীচুৰ শিক্ষা দুগৰাকী মানুহে পৃথকভাৱে সঁহাৰি দিলে কি হয়, ল'ৰা-ছোৱালীক শুনিবলৈ দিয়ক।

তলত দিয়া প্ৰশ্নবোৰ সোধক। প্ৰত্যেক প্ৰশ্নৰ অন্তত উত্তৰ দিয়া আছে।

কোন মানুহবিলাক বুদ্ধিমানে ঘৰ সজা মানুহৰ নিচিনা? *(২৪ পদ)*

যীচুৰ বাক্যৰ প্ৰতি আমি কেনেকৈ সহঁাৰি জনাম? *(২৪ পদ চাওক, আমি সেইবোৰ পালন কৰা উচিত)*

কোন মানুহবিলাক নিৰ্ব্বুদ্ধি ঘৰ সজা মানুহৰ নিচিনা? *(২৬ পদ)*

নিব্বুদ্ধি মানুহজনৰ ঘৰ কেনেকৈ পৰিল? *(২৭ পদ)*

যীচুৰ উপদেশত লোক সমূহে কিয় বিস্ময় মানিলে? *(২৮-২৯। যীচুৱে ক্ষমতাপন্ন জনৰ দৰে উপদেশ দিছিল।)*



***বালিৰ ওপৰত ঘৰ সজোৱা এজন মানুহ***

ঘৰ সজা দুজন মানুহৰ গল্পটি নাটক কৰি পৰিবেশন কৰক, মথি ৭ঃ২৪-২৯। ল’ৰা-ছোৱালীয়ে এই নাটকখন উপাসনাৰ সময়ত পৰিবেশন কৰিবলৈ চলাওঁতাৰ লগত ব্যৱস্থা কৰক। নাটক আখৰাৰ সময়ত আপোনাৰ সময় দিয়ক।

ডাঙৰ ল’ৰা-ছোৱালী অথবা বয়সীয়া সকলক তলত দিয়া ভাওবোৰ দিয়কঃ

- **বৰ্ণনাকাৰী।** গল্পটি সংক্ষেপে কওক আৰু সিহঁতৰ ভাগবিলাক মনত ৰাখিবলৈ ল’ৰা-ছোৱালীক সহায় কৰক।
- **যীচু**

সৰু ল’ৰা-ছোৱালীক এইবোৰ ভাও দিয়ক।

- **জ্ঞানী ঘৰ সাজোঁতা** (শিল অথবা ইটা ৰাখিব)।
- **নিৰ্ব্বুদ্ধি ঘৰ সাজোঁতা** (ঘৰ সজা টুকুৰাবোৰ, শিল অথবা ইটা ৰাখিব)
- **ধুমুহা** (কেইটামান ল’ৰা-ছোৱালী)

**বৰ্ণনাকাৰী** ঃ ২৪-২৫ পদৰ পৰা গল্পটোৰ প্ৰথম অংশ কওক। এতিয়া কওক, “যীচুৱে কি কয় শুনক।”

**যীচু** ঃ “মই কোৱাৰ দৰে আপুনি কৰিলে, জ্ঞানী ঘৰ সাজোঁতা জনৰ দৰে হ’ব।”

**জ্ঞানী ঘৰ সাজোঁতা** ঃ ঘৰ সজা টুকুৰাবোৰ এটাৰ ওপৰত আনটো ৰাখক। এতিয়া কওক, “মই এইটো শিলৰ ওপৰত ঘৰ সাজিছোঁ। মই যীচুৰ বাধ্য হৈছোঁ।

**ধুমুহা**ঃ ঘৰ সজা টুকুৰাবোৰৰ ওপৰত বতাহ বলাওক। (সেইবোৰৰ ওপৰত ঠেলা নামাৰিব)

**বৰ্ণনাকাৰী** ঃ ২৫-২৯ পদৰ পৰা গল্পটোৰ ২য় খণ্ড কওক। “যীচুৱে কি কয় শুনক।”

**যীচু** ঃ মই কোৱাকে আপুনি কেৱল শুনিলে, আপুনি এই নিৰ্ব্বুদ্ধি ঘৰ সাজোঁতাজনৰ দৰে হ’ব।

**নিৰ্ব্বুদ্ধি ঘৰ সাজোঁতা** ঃ কোঠাটোৰ আনটো দিশলৈ যাওক। টুকুৰাবোৰ এটাৰ ওপৰত আনটো ৰাখক। এতিয়া কওক, “মই কেৱল যীচুৱে কোৱা কথাহে শুনিছো। মই বালিৰ ওপৰত ঘৰ সাজিছোঁ। ইয়াত সজা অতি সহজ।”

**ধুমুহা**ঃ টুকুৰাবোৰ ঠেলা মাৰি দি কওক, “কি আচৰিত! মানুহবিলাকে তেওঁৰ বাধ্য হোৱা যীচুৱে ইচ্ছা কৰে! অন্য শিক্ষকসকলে মানুহে কেৱল শুনাকেহে ইচ্ছা কৰে।”

**বৰ্ণনাকাৰী** ঃ নাটকখনত সহায় কৰা আটাইকে ধন্যবাদ দিয়ক।

যদি ল’ৰা ছোৱালীয়ে বয়সীয়া সকলৰ নিমিত্তে নাটকখন পৰিবেশন কৰিছে, তেন্তে ওপৰত দিয়া প্ৰশ্নবোৰ বয়সীয়াসকলক সুধিবলৈ কওক।

**ল’ৰা-ছোৱালীক সোধক** ঃ আমি পালন কৰিবলৈ কি কি বিষয়বোৰ যীচুৱে আমাক আজ্ঞা কৰিছে? (ল’ৰা-ছোৱালীক উদাহৰণ দিবলৈ কওক)।



**শিলৰ ওপৰত সজা এটি ঘৰ**

ডাঙৰ ল'ৰা-ছোৱালীক এটি গীত, গল্প অথবা কবিতা, নাইবা "তোমালোকে যদি মোক প্ৰেম কৰা, তেন্তে মোৰ আজ্ঞাবোৰ পালন কৰিবা।" (যোহন ১৪ঃ১৫) যীচুৱে কোৱা এই কথাফাঁকিৰ বৰ্ণনা কৰি এখনি ছবি আকিবলৈ দিয়ক।

**শিলৰ ওপৰত এটি ঘৰৰ ছবি আঁকা।** ল'ৰা-ছোৱালীক তাকে চাই নিজে আকিবলৈ দিয়ক।

- ডাঙৰ ল'ৰা-ছোৱালীক সৰুবোৰক সহায় কৰিবলৈ দিয়ক।
- পিছৰ উপাসনাৰ সময়ত ল'ৰা-ছোৱালীয়ে বয়সীয়াসকলক ছবিবোৰ দেখুৱাব পাৰে আৰু যীচুৰ বাক্য কেনেকৈ পালন কৰিব পাৰি তাৰে বৰ্ণনা কৰক। বিশ্বাসীসকলে কেৱল শুনোতা নহৈ; তেওঁ কোৱাৰ দৰে কোৱা উচিত।

**মুখস্থ কৰকঃ লূক ১১ঃ২৮।**

**পদ্যঃ** গীতমালা ১৮ঃ২,৭,১৫ আৰু ১৬ পদকেইটা চাৰি গৰাকী ল'ৰা-ছোৱালীক আওঁৰাবলৈ দিয়ক। সেইবোৰ বয়সীয়া সকলৰ নিমিত্তেও কৰিবলৈ কওক।

**প্ৰাৰ্থনাঃ** "প্ৰিয় প্ৰভু, আমি আপোনাৰ বাক্য শুনিবলৈ ভাল পাওঁ। আমি সেইবোৰ অভ্যাসত পৰিণত কৰিব খোজোঁ। আমি জ্ঞানী ঘৰ সাজোঁতা জনৰ হৈ, আমাৰ শিলা, আপোনাত আমাৰ জীৱন সাজিব খোজোঁ। প্ৰভু যীচু, কোনো ধুমুহা অথবা সমস্যাই উটাই নিব নোৱাৰাকৈ, আমাক অনন্ত জীৱন দান কৰাৰ বাবে আপোনাক ধন্যবাদ দিওঁ।"

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net.